**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-SEP-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***

--------------------

১। গেছ্ আৰু তেলৰ বিকল্প হিচাপে ইথানলৰ চাহিদা বৃদ্ধি হৈছে বুলি নুমলীগড়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য। প্ৰধানমন্ত্ৰীৰ বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন।

২। দৰং জিলাৰ মঙলদৈত প্ৰধানমন্ত্ৰীৰ তিনিটা বিশেষ আন্তঃগাঁথনিমূলক প্ৰকল্প উদ্বোধন। দেশৰ ভূমিত অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসন কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি প্ৰধানমন্ত্ৰীৰ ঘোষণা ।

৩। ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী ৰাজ্যজুৰি পৰম্পৰাগত ৰীতি-নীতিৰে পালন।

৪। ৰাজ্যত ৰিখটাৰ স্কেলত ৫ দশমিক ৯ প্ৰাবল্যৰ ভূমিকম্পৰ জোকাৰণি অনুভূত।

**আৰু**

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ডুবাইত হ'বলগীয়া আজিৰ ভাৰত, পাকিস্তানৰ মুখামুখি।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোলাঘাট জিলাৰ নুমলীগড়ত ১২ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে দুটা প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে নুমলীগড় শোধনাগাৰত ৫ হাজাৰ কোটি টকা ব্যয়েৰে স্থাপন কৰা বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে ৭ হাজাৰ ২৩১ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত কয় যে গেছ্ আৰু তেলৰ বিকল্প হিচাপে ইথানলৰ চাহিদা বৃদ্ধি হৈছে।

**বাইট (পি এম)**

প্ৰকল্পটোৰ জৰিয়তে নিয়োগৰ সুবিধা বৃদ্ধি আৰু ৰাজ্যখনত সামগ্ৰিকভাৱে আৰ্থসামাজিক বিকাশ সম্ভৱ হ'ব বুলিও তেওঁ আশা কৰে। তেওঁ কয় যে সৌৰশক্তিৰ বিকাশৰ ক্ষেত্ৰত ভাৰতে বিশ্বৰ আগশাৰীৰ দেশৰ লগতে ফেৰ মাৰিব পাৰিব। টু-জি জৈৱ ইথানল প্ৰকল্পই কৃষকসকলক প্ৰত্যক্ষভাৱে লাভান্বিত কৰিব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মৰিগাঁৱত নিৰ্মাণ কৰা ছেমিকণ্ডাক্টৰ প্ৰকল্পই ৰাজ্যখনৰ অৰ্থনীতিলৈ বৃহৎ পৰিৱৰ্তন কঢ়িয়াই আনিব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে ভাৰত আত্মনিৰ্ভৰ হ'বলৈ শক্তি আৰু ছেমিকণ্ডাক্টৰৰ প্ৰয়োজন। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে জৈৱ ইথানল প্ৰকল্প পৰিদৰ্শন কৰাৰ লগতে প্ৰকল্পত নিয়োজিত বিষয়া-কৰ্মচাৰী তথা বাঁহ খেতিয়কসকলৰ সৈতেও বাৰ্তালাপত মিলিত হয়। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে চৰকাৰে বাঁহক ইথানললৈ ৰূপান্তৰ কৰি ৰাজ্যৰ ৫০ হাজাৰ বাঁহ খেতিয়কৰ জীৱনলৈ পৰিৱৰ্তন আনিলে। উদ্বোধনী অনুষ্ঠানত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰী, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ কামাখ্যা প্ৰসাদ তাছা, মন্ত্ৰী অতুল বৰা, অজন্তা নেওগ, ৰূপেশ গোৱালাকে ধৰি বহুকেইগৰাকী মন্ত্ৰী-বিধায়ক উপস্থিত থাকে।

ইয়াৰ আগেয়ে আগবেলা, দৰং জিলাৰ মঙলদৈত তিনিটা বিশেষ আন্তঃগাঁথনিমূলক প্ৰকল্প উদ্বোধন কৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে দেশৰ ভূমিত অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসন কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি দৃঢ়তাৰে ঘোষণা কৰে। প্ৰধানমন্ত্ৰগৰাকীয়ে কয় যে অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসনৰ পৰা দেশৰ প্ৰতি ইঞ্চি ভূমি উদ্ধাৰ কৰা হ'ব।

অনুপ্ৰৱেশকাৰীৰ পৃষ্ঠপোষকসকলক সকিয়াই দি প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে অনুপ্ৰৱেশকাৰীক ৰক্ষণাবেক্ষন দিয়া শক্তিয়ে যিমানেই চেষ্টা নকৰাক কিয়, প্ৰাণ দি হলেও তেওঁলোকক প্ৰতিহত কৰা হ'ব। শ্ৰীমোদীয়ে অনুপ্ৰৱেশকাৰীৰ দখলৰ পৰা প্ৰায় ১ লাখ বিঘা ভূমি উদ্ধাৰ কৰিবলৈ সমৰ্থ হোৱাৰ বাবে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰক প্ৰশংসা কৰে।

**বাইট (পি এম)**

দৰং জিলাৰ পৰাই অসম আন্দোলনৰ সূচনা হৈছিল বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে। এই সন্দৰ্ভত তেওঁ এইদৰে কয়।

**বাইট (পি এম)**

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয়, এখন জি. এন. এম. স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। এই উদ্দেশ্যে মঙলদৈত আয়োজিত এখন জনসভাত বিৰোধী পক্ষ বিশেষকৈ কংগ্ৰেছৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী সৰৱ হৈ উঠে। ভাষণৰ আৰম্ভণিতে শ্ৰীমোদীয়ে কয়, যে মা কামাখ্যাৰ আশীৰ্বাদত অপাৰেছন সিন্দূৰ সফল হ'ল। অপাৰেছনৰ সিন্দূৰৰ পিছত এয়া তেওঁৰ প্ৰথম অসম ভ্ৰমণ বুলি উল্লেখ কৰি তেওঁ ৰাজ্যজুৰি আজি পালন কৰা ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ উপলক্ষে সকলোকে শুভেচ্ছা জনায়। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষত তেওঁ কংগ্ৰেছক সমালোচনা কৰি কয় যে সুধাকণ্ঠক  ভাৰতৰত্ন দিয়াত কংগ্ৰেছে ঘোৰ বিৰোধিতা কৰিছিল। তেওঁ অসমৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ সন্মান আৰু সংৰক্ষণৰ লগতে ৰাজ্যখনৰ দ্ৰুত বিকাশ চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয় বুলি উল্লেখ কৰে। স্বাধীনতাৰ পিছত চীনৰ আক্ৰমণৰ সময়ত তদানীন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ মন্তব্যই অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলক আঘাত দিছিল বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অসমৰ পূৰ্বপুৰুষৰ সপোন এতিয়া বিজেপিয়ে পূৰণ কৰিছে। তেওঁ কয় যে ভাৰত সম্প্ৰতি বিকাশৰ দিশত দ্ৰুতগতিত আগবাঢ়িছে। অসমক দেশৰ অন্যতম দ্ৰুত বিকশিত ৰাজ্য বুলিও তেওঁ অভিহিত কৰে। জনতাৰ বাবে অধিক কাম কৰাত তেওঁ আগ্ৰহী বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে ইয়াৰ বাবে অসমবাসীৰ আশীৰ্বাদ বিচাৰে।  প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁ কেৱল বৰ্তমানৰ বাবে নহয় বৰং অহা ৪০-৫০ বছৰৰ বাবে দেশৰ আন্তঃগাথনি শক্তিশালী কৰি ৰখাত গুৰুত্ব দিছে। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত নিৰ্মাণৰ বাবে দেশৰ প্ৰতিজন নাগৰিক আগবাঢ়ি আহিছে বুলি উল্লেখ কৰি তেওঁ এই কথাত সন্তোষ প্ৰকাশ কৰে। ভাষণ প্ৰসংগত তেওঁ শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰেৰ কৰা জি এছ টিৰ ব্যাপক সংস্কাৰৰ বিষয়েও উল্লেখ কৰে। আজি মঙলদৈ আৰু মঙলদৈৰ পৰা আধাৰশিলা স্থাপন কৰা ছহেজাৰ ৫০০ কোটি টকাৰ প্ৰকল্পই ৰাজ্যখনৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে প্ৰধানমন্ত্ৰীগৰাকীয়ে দৰং জিলাত আধাৰশিলা স্থাপন কৰা ৬ হাজাৰ ৩০০ কোটি টকাৰ তিনিটাকৈ আন্তঃগাঁথনিমূলক প্ৰকল্পই অঞ্চলটোৰ উন্নয়নৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব। ৩ বছৰৰ ভিতৰত দৰং মেডিকেল কলেজৰ কাম সম্পূৰ্ণ কৰি তোলা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বহু প্ৰত্যাশিত গুৱাহাটীৰ ৰিং ৰোড প্ৰকল্পই গুৱাহাটী মহানগৰীক দৰং আৰু মৰিগাঁও জিলাৰে সংযুক্ত কৰি সমগ্ৰ অঞ্চলটোক উন্নয়নৰ নতুন উচ্চতালৈ লৈ যাব বুলিও তেওঁ প্ৰকাশ কৰে। আজিৰ এই আধাৰশিলা অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী কেশৱ মহন্ত, জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে।

০০০০০০

ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আজি ৰাজ্যজুৰি পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা হৈছে। ৰাজ্যখনৰ সত্ৰ-নামঘৰসমূহৰ লগতে ঘৰে ঘৰে জন্মাষ্টমী উপলক্ষে নাম-প্ৰসঙ্গৰ আয়োজন কৰা হৈছে।  সত্ৰ সংস্কৃতিৰ পীঠস্থান মাজুলী, বটদ্ৰৱা আদিৰ লগতে ৰাজ্যখনৰ প্ৰধান প্ৰধান সত্ৰ আৰু নামঘৰসমূহ আজি পুৱাৰে পৰা কৃষ্ণ বন্দনাৰে মুখৰিত হৈ

পৰে। নামঘৰসমূহত ভকত আৰু আয়তীসকলে নাম-প্ৰসংগ, গীত-নৃত্য অনুষ্ঠানৰ আয়োজন কৰে। মাজুলীৰ ৩৩ খন সত্ৰ আৰু তিনিশৰো অধিক নামঘৰৰ লগতে প্ৰতিটো পৰিয়ালে জন্মাষ্টমী পালন কৰিছে বুলি আমাৰ মাজুলীৰ সংবাদদাতাই জনাইছে। হৰিনাম কীৰ্তনৰ ধ্বনিৰে মাজুলী দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে কৃষ্ণৰ জন্মাষ্টমী উপলক্ষে বিভিন্ন শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কৃষ্ণ নৃত্য, দিহানাম আদি কাৰ্যসূচী অনুষ্ঠিত হয়।

কোচবিহাৰৰ মধুপুৰ সত্ৰত বিস্তৃত কাৰ্যসূচীৰে জন্মাষ্টমী পালন কৰা হয়। পুৱা ভাগৱত পাঠ আৰু নাম প্ৰসঙ্গ অনুষ্ঠিত হোৱাৰ পাছত সন্ধিয়ালৈ ভকতসকলে নাম পৰিবেশন কৰে। বৰপেটা জিলাৰ বিভিন্ন সত্ৰ আৰু নামঘৰত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উলহ মালহেৰে পালন কৰা হৈছে। বৰপেটা সত্ৰত আজি সন্ধিয়াৰ পৰা বিশেষ নাম-প্ৰসঙ্গৰ আয়োজন কৰা হৈছে। পৰম্পৰা অনুসৰি জন্মাষ্টমীৰ দিনটোত বৰপেটা সত্ৰৰ অধীনৰ অঞ্চলৰ কিশোৰী আৰু যুৱতীসকলে দিনটো উপবাসে থাকি মাজনিশা শ্ৰীকৃষ্ণৰ জন্মৰ পাছতেই আহাৰ গ্ৰহণ কৰে। এই সন্দৰ্ভত বৰপেটাৰ আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই এইদৰে কয়-

**বাইট**

গুৱাহাটী মহানগৰীৰ নুনমাটিৰ শ্যাম মন্দিৰ, উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ মন্দিৰৰ উপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শ্ৰীকৃষ্ণ মন্দিৰসমূহত আজি পৰম্পৰাগত ৰীতি-নীতিৰে জন্মাষ্টমী পালন কৰা হৈছে। এই উপলক্ষে কোনো অঞ্চলত ভাওনা, শিশু কৃষ্ণৰ সাজপাৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত হৈছে।

শ্ৰীকৃষ্ণৰ জন্মাষ্টেমী উপলক্ষে নলবাৰী জিলাৰ উলাবৰী হিতসাধিনী পুথিভঁৰালৰ উদ্যোগত পাগলাদিয়া নৈত পৰম্পৰা নাওখেল অনুষ্ঠিত হৈছে। এই নাওখেল প্ৰতিযোগিতাত বিভিন্ন প্ৰান্তৰ ১৩খন নাৱে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত আলীফ লেইলা নাওখনে প্ৰথম আৰু জোনবাই নামৰ নাওখনে দ্বিতীয় পুৰস্কাৰ লাভ কৰে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিয়লি ৪ বাজি ৪১ মিনিটত ভূমিকম্পৰ প্ৰবল জোঁকাৰণি অনুভূত হয়। ৰিখটাৰ স্কেলত ৫ দশমিক ৯ প্ৰাবল্যৰ এই ভূমিকম্পৰ অভিকেন্দ্ৰ ঢেকীয়াজুলিৰ সমীপত বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ ফলত ৰাজ্যৰ বিভিন্ন ঠাইত দেৱালত ফাঁট মেলা, ছিলিং খহি পৰাকে ধৰি বিস্তৰ ক্ষতি হোৱাৰ বাতৰি পোৱা গৈছে। পশ্চিম কাৰ্বি আংলং আৰু হোজাই জিলাৰ সীমান্তৱৰ্তী লংজাঁপ বজাৰত ভূমিকম্পৰ ফলত এখন দোকান ভাঙি পৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। ভূমিকম্পৰ জোঁকাৰণি মেঘালয় আৰু মণিপুৰতো অনুভূত হয়।

০০০০০০

বিটিচি নিৰ্বাচনৰ ভোটগ্ৰহণলৈ মাজত এসপ্তাহ বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষই বিটিআৰত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বাক্সা জিলাৰ বৰটাৰীত আজি ইউ পি পি এলৰ প্ৰাৰ্থী জয় মুছাহাৰীয়ে প্ৰচাৰ চলায়। দিহিৰা পৰিষদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থী মানস প্ৰতিম কলিতাই আজি জিলাখনৰ মুছলপুৰত এখন প্ৰচাৰ সভাত অংশ লয়। তেওঁ সমষ্টিটোৰ সৰ্বাংগীন উন্নয়নৰ হকে বিজেপিক ভোটদান কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। অহা ১৮ ছেপ্তেম্বৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ সমৰ্থনত গাৰামদেউত প্ৰচাৰ চলাব বুলি শ্ৰী কলিতাই জানিবলৈ দিয়ে। বিজেপি প্ৰাৰ্থী জৌশ্ৰাং বড়োৱে আজি ওদালগুৰি জিলাৰ ভেৰগাঁও পৰিষদীয় সমষ্টিৰ অন্তৰ্গত বালিশিখা গাঁৱত প্ৰচাৰ অভিযানত ভাগ লয়। ইপিনে, ইউ পি পি এল দলে আজি বি টি চি নিৰ্বাচনী ইস্তাহাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। মাতৃ ভূমি, সমুদায় শিক্ষা আৰু শান্তি – বিষয়বস্তুৰে এখন সমৃদ্ধিশালী বি টি আৰ নিৰ্মাণৰ প্ৰতিশ্ৰুতিৰে এই নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে।

বিটিআৰৰ আটাইকেইখন জিলাৰ প্ৰশাসনে নিৰ্বাচনত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। তামুলপুৰ জিলাৰ বৰনগৰৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত কালি বিষয়া-কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। তেওঁলোকক বেলট বক্সৰ ব্যৱহাৰ সন্দৰ্ভতো প্ৰশিক্ষণ দিয়া হয়।

০০০০০০

অহা ১৭ৰ পৰা ২৩ ছেপ্তেম্বৰলৈ ৰাজ্যত পালন কৰিবলগীয়া সেৱা সপ্তাহৰ বাবে প্ৰস্তুতি অব্যাহত আছে। এই কাৰ্যসূচীৰ অধীনত বৃহৎ স্বাস্থ্য শিবিৰ, ৰক্তদান শিবিৰ মুকলি কৰাৰ লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ভূমি পট্টা বিতৰণ কাৰ্যসূচীও অন্তৰ্ভুক্ত কৰা হ'ব। ৰাজ্যজুৰি ৰূপায়ণ হ'বলগীয়া এই পদক্ষেপৰ সফলতা নিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে এই সন্দৰ্ভত ৰাজ্যৰ বিভিন্ন বিভাগৰ মন্ত্ৰী, বিধায়কসকল আৰু বি টি আৰৰ বাহিৰে অন্য জিলাৰ আয়ুক্তসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰী অজন্তা নেওগ, অতুল বৰা, ৰূপেশ গোৱালাৰ উপৰি কেইবাগৰাকীও বিধায়ক আৰু জিলা আয়ুক্ত উপস্থিত থাকে।

০০০০০০

শ্ৰীভূমি আৰক্ষীৰ এটা দলে নিলাম বজাৰৰ কেউটকোনা অঞ্চলত আজি অভিযান চলাই মাদক দ্ৰব্যসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। যুৱকজনে চলাই অহা বাইকৰ গোপন চেম্বাৰৰ পৰা প্ৰায় ৪৫ গ্ৰাম হেৰোইন জব্দ কৰা হৈছে। অভিযুক্ত যুৱকজনৰ বিৰুদ্ধে আৰক্ষীয়ে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে।

০০০০০০

এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ডুবাইত আজি হ'বলগীয়া গ্ৰুপ-এৰ এখন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব। ফেব্ৰুৱাৰীৰ পাছত চলিত বৰ্ষত এইবাৰ প্ৰথমবাৰৰ বাবে দুয়োটা দল মুখামুখি হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্‌ছএপযোগে পঠিয়াব লাগিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০

সমাপ্ত